# 2 0 1 8

## ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) 'মেঘনাদবধকাব্য' গ্ৰন্থখনৰ কবিগৰাকীৰ নাম লিখা।

(খ) 'পথেৰ পাঁচালী' উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম কি?

(গ) অসমীয়া ভাষাত ৰচনা কৰা 'কপিলীপৰীয়া সাধু' উপন্যাসখনৰ ৰচক কোন?

(ঘ) কোনগৰাকী নাট্যকাৰৰ হাতত হিন্দী নাট্য-সাহিত্যই চমকপ্ৰদ সফলতা লাভ কৰিছিল?

(ঙ) প্ৰথমখন হিন্দী উপন্যাসৰ নাম কি?

(চ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰথম প্ৰকাশিত গল্পপুথিখনৰ নাম লিখা।

(ছ) প্ৰগতিবাদী চিন্তা-চেতনাৰে সমৃদ্ধ হৈ যাত্ৰা আৰম্ভ কৰা অসমীয়া আলোচনীখনৰ নাম কি?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) জীবনানন্দ দাশৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(খ) হিন্দী সাহিত্যত ৰোমাণ্টিক চেতনাৰে সমৃদ্ধ ছায়াবাদ আন্দোলনৰ নেতৃত্ব দিয়া দুগৰাকী কবিৰ নাম লিখা।

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনৰ সমধৰ্মী এখন অসমীয়া উপন্যাস আৰু উপন্যাসখনৰ লেখকগৰাকীৰ নাম লিখা।

(ঘ) ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ দুখন গল্প-সংকলনৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ভাৰতীয় সাহিত্যৰ মূল সুৰটো কি? অসমীয়া, হিন্দী আৰু বাংলা সাহিত্যৰ উদ্ধৃতিৰে চমু আলোচনা কৰা।

(খ) 'কফন' মানে কি? ঘীসু আৰু মাধৱে কফন আনিবলৈ গৈ কেনেধৰণৰ পৰিস্থিতিৰ মুখামুখি হৈছিল, আলোচনা কৰা।

(গ) 'ময়লা আঁচল' উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্য জীৱনৰ ছবিখনৰ ওপৰত আলোকপাত কৰা।

(ঘ) 'সখা দামোদৰ' গল্পত প্ৰকাশ পোৱা অসমীয়া লোক-কৃষ্টি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ এটি চমু আলোচনা আগবঢ়োৱা।

৪। (ক) "মানিক বন্দ্যোপাধ্যায়ৰ উপন্যাস সামাজিক আৰু ৰাজনৈতিক চেতনাৰ শিল্পসন্মত অভিব্যক্তি।" কথাষাৰিৰ আঁত ধৰি বাংলা উপন্যাস সাহিত্যলৈ মানিক বন্দ্যোপাধ্যায়ৰ অৱদান সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) "'পদ্মানদীৰ মাঝি' উপন্যাসখন ভাৰতীয় গ্ৰাম্য জীৱনৰ দলিলস্বৰূপ।" কথাষাৰিৰ আঁত ধৰি উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্যজীৱনৰ এক যথাৰ্থ ছবি অংকন কৰা।

৫। (ক) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'পোষ্টমাষ্টাৰ' গল্পৰ মাজেৰে প্ৰকাশ পোৱা পোষ্টমাষ্টৰ আৰু ৰতনৰ সম্পৰ্কৰ তাত্ত্বিক দিশটোৰ মূল্যায়ন কৰি এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'পোষ্টমাষ্টাৰ' গল্পত প্ৰকাশ পোৱা পোষ্টমাষ্টৰৰ মনৰ অন্তৰ্দ্বন্দ্বৰ ছবিখন প্ৰকাশ কৰি এটি আলোচনা কৰা।

৬। (ক) ছায়াবাদ যুগৰ হিন্দী সাহিত্যৰ বৈশিষ্ট্যবাজি বিশ্লেষণ কৰি এটি আলোচনা কৰা। ১০

*অথবা*

(খ) 'কফন' গল্পটোৰ মাজেৰে প্ৰেমচান্দে দৰিদ্ৰতাৰ ছবিখন কিমান সজীৱভাৱে ৰূপায়িত কৰিছে, আলোচনা কৰা।

★★★